# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 31-MAY-2026 **Time :** 1845 HRS

***Assamese Evening Bulletin***

**::::::::::::::::::**

**HEADLINES 6.45PM)**

**::::::::::::::::::**

১। প্ৰচণ্ড গৰমৰ বতৰত সাৱধানতা অৱলম্বন কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কি বাতৰ জৰিয়তে দেশবাসীক আহ্বান।

২। অসমক সামৰিক উদ্যোগৰ প্ৰাণকেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যেৰে মুখ্যমন্ত্ৰীৰ প্ৰতিৰক্ষা মন্ত্ৰী আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰীক সাক্ষাৎ।

৩। অহা ৫ জুনত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ।

৪। বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো বিশ্ব ধপাত বিৰোধী দিৱস উদযাপন।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত গুজৰাট টাইটানছ আজি ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰচণ্ড গৰমৰ বতৰত অত্যন্ত সাৱধানতা অৱলম্বন কৰিবলৈ দেশবাসীক আহ্বান জনাইছে। তেওঁ এই ক্ষেত্ৰত বিভিন্ন চৰকাৰী বিভাগে জাৰি কৰা নিৰ্দেশনাসমূহ মানি চলিবলৈও সকলোকে পৰামৰ্শ দিয়ে। আকাশবাণীযোগে প্ৰচাৰিত মাহেকীয়া মন কী বাত অনুষ্ঠানত আজি দেশবাসীৰ সৈতে মত বিনিময় কৰি প্ৰধানমন্ত্ৰীয়ে এই আহ্বান জনায়। তেওঁ কয়, যে এনে বতৰত সকলোৱে পৰ্যাপ্ত পানী খোৱাৰ লগতে বাহিৰলৈ ওলোৱাৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰা উচিত।

বাইট

অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে তেওঁৰ শেহতীয়া নেডাৰলেণ্ডছ ভ্ৰমণৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে এই ভ্ৰমণকালত এটা বিশেষ অনুষ্ঠানত নেডাৰলেণ্ডছ চৰকাৰে চোল বংশৰ ৰজাসকলৰ সময়ৰ প্ৰাচীন তাম্ৰ লিপিসমূহ ভাৰতলৈ হস্তান্তৰ কৰে। তেওঁ কয় যে এই তাম্ৰলিপিসমূহত চোল সাম্ৰাজ্যৰ সাফল্যৰ বৰ্ণনা আছে। শ্ৰীমোদীয়ে লগতে কয়, যে এই তাম্ৰলিপিসমূহৰ জৰিয়তে দক্ষিণ-পূৱ এছিয়াৰ দেশসমূহৰ সৈতে চোল ৰজাসকলৰ সম্পৰ্কৰ বিষয়েও উমান পাব পাৰি।

প্ৰধানমন্ত্ৰীয়ে দেশৰ প্ৰতিটো প্ৰজন্মৰ বাবে এতিয়া জ্যোতিৰ্বিজ্ঞান আগ্ৰহৰ বিষয় হৈ উঠিছে বুলি উল্লেখ কৰে। জ্যোতিৰ্বিজ্ঞান ক্লাৱসমূহ দেশত ক্ৰমান্বয়ে জনপ্ৰিয় হৈ উঠা বুলি উল্লেখ কৰি তেওঁ তৰুণ প্ৰজন্মক এনে একোটা ক্লাৱৰ সৈতে জড়িত হ'বলৈ আহ্বান জনাই আৰু বন্ধৰ দিনত এটা তাৰকা গৃহ দৰ্শন কৰিবলৈ পৰামৰ্শ দিয়ে।

oooooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ শৰ্মাই কয়, যে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীৰ সৈতে বৈঠকত অংশগ্ৰহণ কৰি তেওঁ অসমক সামৰিক উদ্যোগৰ প্ৰাণকেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে আলোচনা কৰে। প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীসিঙে অসমক সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়া বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ পৰামৰ্শই বিকশিত অসমৰ গতিত সহায়কৰ ভূমিকা গ্ৰহণ কৰিব।

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে বিশ্বৰ সাম্প্ৰতিক পৰিস্থিতি আৰু বৰ্তমানৰ ভূ-ৰাজনৈতিক প্ৰত্যাহ্বানসমূহৰ ভাৰতক সুদক্ষতাৰে আগবঢ়াই নিয়াত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সুনিপুণ গভীৰ দৃষ্টিভংগী অতি জ্ঞানবৰ্ধক আৰু অত্যন্ত প্ৰেৰণাদায়ক। ড০ জয়শংকৰে প্ৰদান কৰা বহুমূলীয়া সময় আৰু পৰামৰ্শৰ বাবে তেওঁক কৃতজ্ঞতা জ্ঞাপন কৰি ড০ শৰ্মাই, বিদেশ মন্ত্ৰীগৰাকীৰ দিক-নিৰ্দেশনা আৰু পৰামৰ্শৰে অসমেও চুবুৰীয়া দেশসমূহৰ সৈতে বাণিজ্য আৰু পৰ্যটনৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ বাবে দুগুণ উৎসাহেৰে কাম কৰিব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকো সাক্ষাৎ কৰে। তেওঁলোকে অসমৰ উন্নয়ন, সম্ভাৱনা আৰু অনাগত দিনৰ লক্ষ্য সন্দৰ্ভত বৃস্তিতভাৱে আলোচনা কৰে।

oooooooo

অহা ৫ জুনত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কালি নতুন দিল্লীত সাক্ষাৎ কৰাৰ পাছতে আজি মুখ্যমন্ত্ৰীয়ে এই কথা ঘোষণা কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সৌজন্যমূলক সাক্ষাৎ কৰে। ড০ শৰ্মাই নিজৰ দ্বিতীয়টো কাৰ্যকাল কিদৰে আগবঢ়াই নিয়াৰ পৰিকল্পনা কৰিছে সেই বিষয়ে প্ৰধানমন্ত্ৰী মোদীক অৱগত কৰে। তেওঁ অসমৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা নিৰৱচ্ছিন্ন সহযোগিতাৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে আৰু অনাগত সময়ত তেওঁৰ মাৰ্গদৰ্শন তথা আশীৰ্বাদ কামনা কৰে।

মুখ্যমন্ত্ৰীয়ে আজি কেন্দ্ৰীয়মন্ত্ৰী সৰ্বানন্দ সোণোৱালকো সাক্ষাৎ কৰি ৰাজ্যৰ উন্নয়ন, সম্ভাৱনা আৰু অনাগত দিনত এই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ লক্ষ্য সমূহক লৈ বিতং আলোচনা কৰে।

oooooo

নগাঁও জিলাত পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ বাবে জিলা প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। সেই অনুসৰি এতিয়াৰে পৰা ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত অথবা ধাবাৰ সন্মুখত ট্ৰাক আদি ৰখাই থোৱাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। কোনো বিশেষ কাৰণত গাড়ী  ৰখাবলগীয়া হ'লে নিয়ম অনুসৰি লাইট জ্বলাই ৰাখিব লাগিব। তদুপৰি নগাঁও চহৰৰ ভিতৰত থকা পথসমূহতো দুখন গাড়ী সমানে ৰখোৱাত বাধা আৰোপ কৰা হৈছে। আজি তেনে অনিয়ম কৰা ১২ খন গাড়ীৰ বিৰুদ্ধে জৰিমনা বিহা হৈছে বুলি জিলা আয়ুক্ত দেৱাশিষ শৰ্মাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

(বাইট ঃ দেৱাশিষ শৰ্মা)

উল্লেখযোগ্য যে নগাঁও জিলাত বিগত এমাহত ৩৫টা পথ দুৰ্ঘটনা সংঘটিত হয় আৰু এই দুৰ্ঘটনাত ২২ জন লোকে প্ৰাণ হেৰুৱাই। জিলাখনত ঘৰ ভাৰা দিয়া মালিকসকলৰ লগতে পেইং গেষ্টৰ মালিকসকলৰ বাবেও কেতবোৰ নিয়ম বলৱৎ কৰা হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

oooooo

ধপাতমুক্ত এখন সুন্দৰ সমাজ গঢ়াৰ লক্ষ্যৰে আজি সমগ্ৰ বিশ্বৰ লগতে অসমতো বিশ্ব ধপাত বিৰোধী দিৱস উদযাপন কৰা হৈছে। এইবাৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে- মাদক দ্ৰব্য আৰু ধপাত জাতীয় সামগ্ৰীৰ আসক্তি প্ৰতিহত কৰাৰ বাবে আসক্তিৰ আঁৰৰ সত্য উন্মোচন কৰা। উল্লেখযোগ্য যে, প্ৰতিবছৰে ধপাত জাতীয় সামগ্ৰীত আসক্ত হোৱাৰ

ফলত বিশ্বৰ ৮ নিযুতৰো অধিক লোকৰ মৃত্যু হয়। ইয়াৰে ১ দশমিক ৩ নিযুত লোকৰ পৰোক্ষভাৱে অৰ্থাৎ ধপাত সেৱন কৰা লোকৰ কাষত থকা বাবে বা ধোঁৱাৰ পৰা হোৱা ক্ষতিৰ ফলত মৃত্যু হয়। এই দিৱস উপলক্ষে গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানত সজাগতা কাৰ্য্যসূচীৰ আয়োজন কৰা হৈছে। কোকৰাঝাৰত এই উপলক্ষে জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ সহযোগত ধপাত বিৰোধী সজাগতা কাৰ্য্যসূচী আয়োজন কৰা হয়। শিলচৰতো জিলা ধপাত নিয়ন্ত্ৰণ কাৰ্যসূচীৰ উদ্যোগত আৰু কাছাৰ জিলা প্ৰশাসনৰ সহযোগত ধপাত আৰু নিকটিন আসক্তিৰ বিৰুদ্ধে সজাগতা সমদলৰে আয়োজন কৰা হয়। মৰিগাওঁ আৰু ধেমাজি জিলাতো ধপাত নিয়ন্ত্ৰণ কোষৰ উদ্যোগত পদযাত্ৰা আৰু ৰাজহুৱা সভাৰ আয়োজনৰে ধপাতৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰা হয়।

oooooooo

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ মেধাবী ছাত্ৰ-ছাত্ৰীসকলক কেন্দ্ৰীয় লোকসেৱা আয়োগ ইউ পি এছ চিৰ পৰীক্ষাৰ বাবে প্ৰস্তুত কৰাৰ লক্ষ্যৰে সদৌ অসম ছাত্ৰ সন্থাই ৰূপায়ণ কৰা অভিলাষী প্ৰকল্প **প্ৰত্যাশা**ৰ অধীনত প্ৰশিক্ষণ গ্ৰহণৰ বাবে আজি এহেজাৰ গৰাকীৰো অধিক ছাত্ৰ-ছাত্ৰী বাছনি পৰীক্ষাত অৱতীৰ্ণ হয়। গুৱাহাটী, শিৱসাগৰ, তেজপুৰ আৰু নতুন দিল্লীত অনুষ্ঠিত এই পৰীক্ষাৰ জৰিয়তে বাছনি কৰিবলগীয়া মুঠ ৪০গৰাকী শিক্ষাৰ্থীক জলপানি আৰু প্ৰশিক্ষণ প্ৰদান কৰা হ'ব বুলি ছাত্ৰ সংগঠনটোৰ উদ্ধৃতিৰে আকাশবাণীৰ শিৱসাগৰৰ সংবাদদাতাই জানিবলৈ দিছে। শিৱসাগৰ ছোৱালী কলেজ কেন্দ্ৰত অনুষ্ঠিত আজিৰ বাছনি পৰীক্ষাত অঞ্চলটোৰ মুঠ ১৭২গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হয়। প্ৰকল্পটোৰ সন্দৰ্ভত ছাত্ৰ সন্থাৰ তৰফৰ পৰা সমীৰণ ফুকনে এনেদৰে কয়-

**(বাইট)**

ooooooo

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ সঞ্চালক তথা ৰাষ্ট্ৰীয় সেৱা আঁচনি, এন এছ এছৰ কাৰ্যসূচী সমন্বয়ক ড০ ৰঞ্জন কুমাৰ কাকতিয়ে মাই ভাৰত এন এছ এছ কাৰ্যসূচী সমন্বয়ক শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী বঁটা লাভ কৰিছে। শ্বিলঙৰ ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান আই আই এমত যোৱা শনিবাৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ চিন্তন শিবিৰত সমন্বয়কগৰাকীয়ে এই বঁটা লাভ কৰে। অনুষ্ঠানত কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়া আৰু ৰাজ্য মন্ত্ৰী ৰক্ষা খাড়চে উপস্থিত থাকে। সমাজ সেৱা, যুৱ উন্নয়ন আৰু কল্যাণমূলক কাৰ্যসূচীত আগবঢ়োৱা অৱদানৰ বাবে ড০ কাকতিক এই সন্মান প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, ২০১৯-২০ বৰ্ষৰ ৰাষ্ট্ৰপতিৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি বঁটা লাভ কৰা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী ব্যক্তি হিচাপে পৰিচিত ড০ ৰঞ্জন কুমাৰ কাকতিৰ নেতৃত্বত গুৱাহাটী বিশ্ববিদ্যালয়ৰ এন এছ এছ কোষে পৰিৱেশ সংৰক্ষণ, দুৰ্যোগ প্ৰস্তুতি, ৰক্তদান, স্বাস্থ্য সজাগতা, মাদকদ্ৰব্য বিৰোধী অভিযান, গছ পুলি ৰোপণ কাৰ্যসূচী আৰু গ্ৰামোন্নয়নৰ ক্ষেত্ৰত উল্লেখনীয় অৱিহণা যোগাই আহিছে।

ooooooo

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ মন্ত্ৰী মনসুখ মাণ্ডাভিয়াই আজি শ্বিলঙত আয়োজিত **ফিট ইণ্ডিয়া ছানডে'জ অন চাইকেল** কাৰ্যসূচীৰ ৭৬ সংখ্যক সংস্কৰণত অংশগ্ৰহণ কৰে। চাইকেল চালনাৰ জৰিয়তে যুৱ সম্প্ৰদায়, খেলুৱৈ, শাৰিৰীক সুস্থতাৰ প্ৰতি সচেতন লোকসকলকে ধৰি সকলো শ্ৰেণীৰ নাগৰিকক একগোট কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰি অহা এই কাৰ্যসূচী মন্ত্ৰীগৰাকীয়ে আজি শ্বিলঙত অৱস্থিত ৰাজ্যিক কেন্দ্ৰীয় পুঁথিভৰাল চৌহদৰ পৰা আনুষ্ঠানিকভাৱে মুকলি কৰে।

এই কাৰ্যসূচীত অংশগ্ৰহণ কৰা লোকসকলৰ সন্মুখত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীমাণ্ডাভিয়াই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনোৱা ফিট ইণ্ডিয়া আন্দোলনৰ সমৰ্থনত সমগ্ৰ দেশৰ ভিন ভিন অঞ্চলত লাখ লাখ লোকে প্ৰতি দেওবাৰে অংশগ্ৰহণ কৰা **ছানডে'জ অন চাইকেল** শীৰ্ষক এই অনুষ্ঠান সম্প্ৰতি এটা ৰাষ্ট্ৰীয় আন্দোলনলৈ ৰূপান্তৰিত হৈছে।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় যুৱ কল্যাণ আৰু ক্ৰীড়া দপ্তৰৰ ৰাজ্যমন্ত্ৰী ৰক্ষা খাড়ছেইও অংশগ্ৰহণ কৰে।

০০০০০০০

পাণ্ডুত অসম আৰক্ষী আৰু ৰে'লৰে আৰক্ষীৰ দলে চলোৱা উচ্ছেদ অভিযানত ১৪৯ টা ঘৰ আৰু দোকান-পোহাৰ উচ্ছেদ কৰা হয়। পাণ্ডু আৰু জালুকবাৰীত অবৈধভাৱে স্থাপন কৰা আৱাসগৃহ আৰু ব্যৱসায়িক অঞ্চলত জিলা প্ৰশাসনে যোৱা ৩ দিন ধৰি এই উচ্ছেদ অভিযান চলাইছে। ব্ৰহ্মপুত্ৰৰ ওপৰত গুৱাহাটীত নিৰ্মাণ কৰিবলগীয়া দ্বিতীয়খন ৰে'লৰ দলঙৰ বাবে এই অভিযান চলোৱা হৈছে।

০০০০০০০

ৰাভা জনগোষ্ঠীয় লোকসকলে আজি আজি পবিত্ৰ বাইখো উৎসৱ পালন কৰিছে। জেঠ মাহৰ পূৰ্ণিমা তিথিত এই উৎসৱ পালন কৰা হয়। বাইখো উৎসৱক ৰাভা জনগোষ্ঠীয় লোকসকলে জাতীয় উৎসৱ হিচাপে গ্ৰহণ কৰি আহিছে। কৃষিজীৱি লোকসকলে বাৰিষাৰ পূৰ্বে খেতি-বাতি ভাল হোৱাৰ লগতে কীট পতংগই যাতে শস্যৰ অনিষ্ট কৰিব নোৱাৰে সেই কামনাৰে এই উৎসৱ পালন কৰে। গোৱালপাৰা জিলাৰ অন্যান্য ঠাইৰ লগতে পশ্চিম দাইৰং আয়া বাইখো থানত এই উৎসৱ পালন কৰা হৈছে। দুধনৈ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত দুধনৈ ৰাজহুৱা খেলপথাৰত কালিৰে পৰা তিনিদিনীয়াকৈ এই উৎসৱ পালন কৰা হৈছে। তামুলপুৰতো বৰবেলবাৰীত বাইখো উৎসৱ উপলক্ষে ডেৰ শতাধিক ৰাভা মহিলাই জনগোষ্ঠীটোৰ বাৰেৰহণীয়া সাজপাৰ পৰিধান কৰি পৰম্পৰাগত নৃত্য প্ৰদৰ্শন কৰে। এই কাৰ্য্যসূচীত তামুলপুৰৰ বিধায়ক বিশ্বজিৎ দৈমাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। শ্ৰী দৈমাৰীয়ে জনগোষ্ঠীটোৰ ধৰ্মীয় বিশ্বাস, স্বকীয় লোক সংস্কৃতি, বৰ্ণিল পৰম্পৰা আৰু ঐতিহাসিক মৰ্য্যদাৰ বিষয়ত ভাষণ প্ৰদান কৰাৰ লগতে সকলোকে বাইখো উৎসৱৰ ওলগ জ্ঞাপন কৰে।

০০০০০০০

বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ দাওধাৰাত আজি বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকসকলৰ উদ্যোগত বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ ৰমেন তালুকদাৰৰ লগতে আন কেইবাগৰাকীও চিকিৎসকে এই শিবিৰত ১৫০ গৰাকীৰো অধিক ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ উপৰি বিনামূলীয়াকৈ ঔষধ প্ৰদান কৰে। বাক্সাৰ বিধায়ক মনেশ্বৰ ব্ৰহ্ম আৰু মানাহৰ বিধায়ক ধানেশ্বৰ বসুমতাৰীৰ তত্বাৱধানত অনুষ্ঠিত এই স্বাস্থ্য শিবিৰত অংশ লৈ বিধায়ক বসুমতাৰীয়ে কয়, যে উন্নত চিকিৎসাৰ বাবে যাব নোৱাৰা গ্ৰামাঞ্চলৰ ৰোগীসকলৰ সুবিধাৰ্থে এই শিবিৰৰ আয়োজন কৰা হৈছে। এই শিবিৰত পৰীক্ষণৰ অন্তত জটিল ৰোগ ধৰা পৰা ৰোগীসকলক বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত উন্নত চিকিৎসাৰ ব্যৱস্থা কৰা হ'ব বুলি বিধায়কগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

নৱপ্ৰজন্মৰ মাজত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি অংকীয়া ভাওনাৰ চৰ্চা তথা প্ৰসাৰৰ হকে নগাঁৱৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান কলং নাট্যগোষ্ঠীৰ উদ্যোগত অসমীয়া ভাওনাৰ বচন, বিলাপ আৰু লেচাৰী প্ৰতিযোগিতা অনুষ্ঠিত হয়। নগাঁও জিলা পুথিভঁৰালত আজি পুৱাৰে পৰা আয়োজিত এই প্ৰতিযোগিতাত ভালেসংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। বিগত বৰ্ষতো কলং নাট্যগোষ্ঠীয়ে অংকীয়া ভাওনাৰ সংলাপ প্ৰতিযোগিতাৰ আয়োজন কৰিছিল।

০০০০০০০

ধেমাজি সাংবাদিক সংস্থাৰ অন্যতম সাংবাদিক সংগঠন জোনাই প্ৰেছ ক্লাবৰ দ্বাদশ সাধাৰণ অধিৱেশন আজি দিনজোৱা কাৰ্যসূচীৰে প্ৰেছ ক্লাবৰ সভাগৃহত অনুষ্ঠিত হয়। অধিৱেশনত মুকলি সভাৰ লগতে মননশীল বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। আজিৰ অনুষ্ঠানতে জোনাইৰ বিশিষ্ট শিক্ষাবিদ প্ৰতাপ চন্দ্ৰ পাৱকক জীৱনজোৱা সাধনা বঁটা, জ্যেষ্ঠ সাংবাদিক মৃদু পৱন চুতীয়াক সাংবাদিকতা বঁটা আৰু চিকিৎসা বিজ্ঞানৰ ছাত্ৰ অলোম নৰহক জৰ্জপেগু সোঁৱৰণী

কৃতি শিক্ষাৰ্থী বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা জোনাই অঞ্চলৰ ছগৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱত এইবেলি উত্তৰ-পূৰ্বাঞ্চলত প্ৰায় স্বাভাৱিক বৰষুণ হ'ব বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে শেহতীয়াকৈ জাৰি কৰা দীৰ্ঘকালীন পূৰ্বানুমান অনুযায়ী জুনৰ পৰা ছেপ্তেম্বৰলৈ দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ সময়ছোৱাত বৰষুণৰ পৰিমাণ স্বাভাৱিক হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে ৰাজ্যত এইবাৰ মৌচুমী বতাহৰ আগমনৰ সময়ছোৱাত স্বাভাৱিকতকৈ ১১ শতাংশ অধিক হাৰত বৰষুণ হৈছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদত হ'বলগীয়া ফাইনেলত গুজৰাট টাইটানছ যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। গুজৰাট টাইটানছে দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছক ৭ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমখন কোৱালিফায়াৰত গুজৰাট টাইটানছক ৯২ ৰাণত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০

ভাৰতৰ সাত্বিকসাইৰাজ ৰনকীৰেড্ডী আৰু ছিৰাগ চেট্টীৰ যুটীয়ে ছিংগাপুৰ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ খিতাপ জয় কৰিছে। ভাৰতীয় যুটীটোৱে ফাইনেলত ইণ্ডোনেছিয়াৰ যুটী মহম্মদ ছহিবুল ফিক্ৰী আৰু ফজৰ আলফিয়ানক ১৮-২১, ২১-১৭, ২১-১৬ গেমত পৰাস্ত কৰে। বিগত দুবছৰত ভাৰতে প্ৰথমবাৰৰ বাবে এই খিতাপ জয় কৰিছে।

০০০০

তেজপুৰৰ কলিবাৰী নিবাসী সৰবৰহী মহিলা লিলি বৰুৱাৰ আজি দুপৰীয়া নিজা বাসভৱনত দেহাৱসান ঘটে। বিশিষ্ট শিক্ষাবিদ প্ৰয়াত ৰাজেন্দ্ৰ বৰুৱাৰ সহধৰ্মিনি লিলি বৰুৱাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৫ বছৰ।

০০০০০

সমাপ্ত